অকঁণিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে

# প্ৰথম পুনৰুত্থানটিট



লিখিছে: Edward Hughes

ব্যাখ্যা কৰিছে: Janie Forest

গ্ৰহন কৰিছে: Lyn Doerksen

অনুবাদ কৰিছে: ড: শান্তি ৰাণী সিং, এম, এচ, চি. পি এইচ. ডি.

প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

©2010 Bible for Children, Inc.

অনুমতি: এইট কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে, কিন্তু হটয়াক বিক্ৰি নকৰিব।

মহিলাগৰাকীয়ে হুলস্থূলীয় এক
পৰিবেশত পাহাৰৰ ওচৰত থিয় দি
কৰুণ চকুজুৰিয়ে সেইট নিৰ্ম্মম
দৃশ্যটিট লক্ষ্য কৰি আছিল।
তাইটৰ পুত্ৰইট মৃত্যুবৰণ কৰি
আছিল। মাতৃ গৰাকী মৰিয়ম
আছিল, তাইট সেইট ঠাইটৰ
ওচৰত থিয় দি আছিল,
য'ত যীচুক ক্ৰুচত গজাল
মাৰা হৈছিল।





কিন্তু এইটো সকলো কেনেকৈ হ'ব পাৰিলে?

হ'লে এইটো সুন্দৰ জীৱন যীচুৱে কিদৰে

হ'লে নিৰ্দ্দয়ভাবে শেষ কৰিব পাৰিলে?

নিজৰ পুত্ৰক ক্ৰুচত গজাল

মাৰা হৈ মৃত্যুবৰণ

কৰা অনুমতি কিদৰে

ঈশ্বৰে দিব পাৰিলে?

তেওঁ কোন হয় এইটো

ক্ষেত্ৰত যীচুৱে কিবা ভুল কৰিছিল

নেকি? ঈশ্বৰ বিফল হৈছিল নেকি?



নাহট, নহয়! ঈশ্বৰ বিফল হোৱা নাছিল। যীচুৱে ভুল কৰা নাছিল। প্ৰতি মূৰ্হূত্ততে যীচুৱে জানিছিল দুষ্ট লোকবিলাকে তেওঁক মৃত্যুদণ্ড দিব। আনকি যীচু কেচুঁৱা থাকোতে চিমিয়োন নামে এজন বৃদ্ধলোকে মৰিয়মক কৈছিল যে আগত থকা দিন বোৰত দুখ আছে।



যীচুক বধ কৰা

কিছুদিন আগতে
এগৰাকী মহিলাইট
আহি যীচুৰ চৰণত সুগন্ধি
দ্ৰব্য ঘঁহি দিছিল। শিষ্যসকলে
আপত্তি কৰিছিল. “এনে হানি
কিয়”? যীচুৱে কৈছিল, “তাহট উত্তম
কাম কৰিলে”, “মোক মৈদাম হোৱা বাবে তাহট
এহট কৰ্ম্ম কৰিলে” ।কি আচৰিত এহট বাক্যবোৰ!

হটয়াৰ পিছত যীচুৰ বাৰজন শিষ্যৰ মাজৰ
যিহূদা নামে এজনে ত্ৰিশ টকা ৰূপত প্ৰধান
পুৰুহিতৰ হাতত প্ৰতাৰনা কৰি যীচুক
শোধাহট দিবলৈ সন্মত হৈছিল।





নিস্তাৰ পৰ্ব্বৰ সময়ত, যীচুৱে তেওঁৰ শিষ্যসকলৰ লগত শেষ ভোজন কৰিছিল। তেওঁ শিষ্যসকলক ঈশ্বৰৰ প্ৰতিজ্ঞা আৰু তেওঁক প্ৰেম কৰা সকলৰ প্ৰতি তেওঁৰ প্ৰেমৰ বিষয়ে অতি আচৰিত কথাবোৰ কৈছিল। তাৰ পিছত যীচুৱে তেওঁলোকক ৰুটিটো আৰু পাণ-পাত্ৰ দি তেওঁলোকৰ মাজত ভগাই খাবলৈ দিলে। ই তেওঁলোকক সুঁৱৰাই দিব যে, পাপ ক্ষমাৰ কাৰণে যীচুৰ শৰীৰ আৰু তেজ দিয়া হৈছিল।

তাৰ পিছত যীচুৱে তেওঁৰ বন্ধুসকলক কৈছিল যে, তেওঁক প্ৰতাৰণা কৰা হ’ব, আৰু তেওঁলোকে পলাইহট যাব। পিতৰে দৃঢ়তাৰে কৈছিল, “মহট পলাইহট নাযাওঁ ”। যীচুৱে কৈছিল, “কুকুৰাইহট ডাক দিয়াৰ আগতে, তুমি তিনিবাৰ মোক আঁসে মাতিবা”।





সেইট ৰাতিয়ে যীচুৱে
গেৎচিমানী বাৰীত প্ৰাৰ্থনা
কৰিবলৈ গৈছিল। তেওঁৰ
লগত থকা শিষ্যসকল
টোপনি গৈছিল। যীচুৱে
প্ৰাৰ্থনা কৰিছিল, “.... এইট
পান-পাত্ৰ মোৰ ওচৰৰ পৰা দূৰ
কৰা; তথাপি মোৰ ইচ্ছা নহয়,
তোমাৰেইট ইচ্ছা সিদ্ধ হওঁক”।

হঠাতে যিহূদাৰ নেতৃত্বত এদল লোক বাৰীলৈ সোমাহট আহিছিল। যীচুৱে প্ৰতিবাদ কৰা নাছিল, কিন্তু পিতৰে এজনমানুহৰ কাণ কাটিট দিছিল। কোনো কথা নোকোৱাকৈ যীচুৱে মানুহজনৰ কাণটেটা স্পৰ্শ কৰি সুস্থ কৰি দিছিল। যীচুৱে জানিছিল যে তেওঁক বন্দী কৰাটেটাও ঈশ্বৰৰ হট্চ্ছাৰ এটিট অংশ।





সেহটদলৰ লোকে যীচুক প্ৰধান
পুৰুষিতৰ ঘৰলৈ লৈ গৈছিল।
তাত যিহূদী চলাওঁতাসকলে
কৈছিল যে, যীচু মৰিব লাগিব।
দাস দাসীসকলৰ জুইটৰ
ওচৰত থিয় দি পিতৰে
চাইট আছিল।



পিতৰলৈ লক্ষ্য কৰি তিনিবাৰ
লোকসকলে কৈছিল যে, “তুমিও
যীচুৰ লগত আছিলা”। ঠিক যীচুৱে
কোৱাৰ দৰেহট তিনিবাৰেহট
পিতৰে অস্বীকাৰ কৰিছিল।
পিতৰে আনকি অভিশাপ
দি গালিও দিছিল।




ঠিক সেহট সময়তে কুকুৰাহট ডাক দিলে।

পিতৰলৈ হট যেন ঈশ্বৰৰ কন্ঠস্বৰ আছিল।

যীচুৰ কথা সুঁৱৰণ কৰি পিতৰে

শোকেৰে ক্ৰন্দন কৰিলে।



যিহূদাও অনুতপ্ত হৈছিল। তেওঁ জানিছিল যে যীচু কোনো ধৰণৰ পাপ বা অপৰাধৰ দোষী নাছিল। যিহূদাহট ৩০ ঢটা ৰূপৰ মুদ্ৰা পুৰুষিতসকলৰ ওচৰলৈ লৈ গৈছিল, কিন্তু তেওঁলোকে সেহটঢেটা নললে।



যিহূদাহট পহটচাখিনি পেলাহট
দিলে, আৰু বাহিৰলৈ ওলাহট
গৈ নিজকে ফাঁচী দিলে।



পুৰুষিত সকলে যীচুক ৰোমৰ গৰ্বনৰ পীলাতৰ ওচৰলৈ লৈ আনিলে। পীলাতে ক’লে, “মহট হলে তেওঁত একো দোষ পোৱা নাহট”। কিন্তু লোকবিলাকে আটটাহ পাৰিব ধৰিলে “তাক ক্ৰুচত দিয়ক! তাক ক্ৰুচত দিয়ক!”

অৱশেষত পীলাতে মান্তি হল, আৰু ক্ৰুচীয় মৃত্যুৰে যীচুক দণ্ড দিলে। সৈন্যসকলে যীচুক ভুকুৱালে, তেওঁৰ মুখত থুহট পেলালে আৰু তেওঁক চাবুকেৰে কোবালে। দীঘল জোঙা কাঁইটেৰে এটিট কিৰিটিট সাজি হেঁচা মাৰি তাক যীচুৰ মূৰত সোমাইট দিছিল। তাৰ পিছত যীচুক কাঠৰ ক্ৰুচত গজালেৰে বিন্ধি মৃত্যুবৰণ কৰিবলৈ দিলে।



যীচুৱে প্ৰতিটো মূহূৰ্ত্ততে জানিছি যে সেইদৰেহে তেওঁৰ মৃত্যু হ'ব। তেওঁ এইটোও জানিছিল যে, তেওঁত বিশ্বাস কৰা জনৰ কাৰণে তেওঁৰ মৃত্যুৱে তেওঁলোকৰ পাপ ক্ষমা কৰি দিব। দুজন চোৰক যীচুৰ দুয়ো কাষে ক্ৰুচত দিয়া হৈছিল। এজনে যীচুত বিশ্বাস কৰি পৰমদেশলৈ গৈছিল। আন জন নগ'ল।



কেইটাবা ঘন্টাও যাতনাত কষ্ট পোৱাৰ পিছত, যীচুৱে “সিদ্ধ হ’ল” বুলি কৈ মৃত্যুবৰণ কৰিলে। তেওঁৰ কাম সম্পূৰ্ণ হৈছিল। এটিট ব্যক্তিগত মৈদামত তেওঁৰ বন্ধুসকলে তেওঁক সমাধিস্থ কৰিলে।



ৰোমান সৈন্যসকলে

মৈদামখনত মোহৰ মাৰি

পহৰা দিলে। কোনো ভিতৰলৈ

সোমাব - বা - বাহিৰলৈ

ওলাব পৰা নাছিল।



যদি হটয়ে কাহিনীৰ শেষ হ’লহেতেঁন,

হট কিমান দুখজনক হ’লহেতেঁন।

কিন্তু ঈশ্বৰে কিবা এটা বৰ

আচৰিত কাম কৰিলে। যীচু

মৃত অৱস্থাতে নাথাকিল!



সপ্তাহৰ প্ৰথম দিনা অতি দোকমোকালিতে, যীচুৰ
কেইজনীমানৰ শিষ্যাহঁত মৈদামৰ পৰা
শিলচটা বগৰাই থোৱা দেখিলে।
যেতিয়া তেওঁলোকে ভিতৰলৈ
চালে, তেতিয়া তেওঁলোকে
যীচুক দেখা নাপালে।



এগৰাকী মহিলাহট উচুপি উচুপি মৌদামৰ কাষত থিয়
দি আছিল। যীচুৱে তাহটঁৰ আগত দেখা দিলে!
আন শিষ্যসকলক এহট খবৰ দিবলৈ তাহট
তাতলিকে লৰ মাৰি গল। “যীচু জীৱিত!
যীচু মৃতবিলাকৰ মাজৰ পৰা
উভতি আহিল!”





অতি সোনকালে যীচু তেওঁৰ শিষ্যসকলৰ ওচৰলৈ আহি তেওঁৰ হাতত থকা গজালৰ ঘাঁবোৰ দেখুৱালে। হট সত্য আছিল। যীচু আকৌ জীৱিত হ'ল! তেওঁক অস্বীকাৰ কৰা কাৰণে তেওঁ পিতৰক ক্ষমা কৰিলে, আৰু সকলোকে তেওঁৰ বিষয়ে প্ৰচাৰ কৰিবলৈ তেওঁ শিষ্যসকলক ক'লে। তাৰ পিছত তেওঁ স্বৰ্গলৈ উভতি গ'ল য'ৰ পৰা তেওঁ সেহট প্ৰথম বৰদিনত আহিছিল।

প্ৰথম পুনৰুত্থানটিট

ঈশ্বৰৰ বাক্য, বাইটবেলত,

এইট কাহিনী পোৱা যায়

মথি ২৬ - ২৮, লূক ২২ - ২৪, যোহন ১৩ - ২১ অধ্যায়।

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”

গীতমালা ১১৯: ১৩০ পদ।

# সমাপ্ত

বাইবেলৰ এইটো কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়, যিজনাই আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাই আমি তেওঁৰ বিষয়ে জনাতো বাঞ্চা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাই দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাই ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল! তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াই আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁ লগত নিবাস কৰিবা।

তুমি যদি এইটো সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা:
প্ৰিয় যীচু, মই বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মই নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা! যোহন ৩: ১৬ পদ।